অসম

দুলীয়াজানত একেটা পৰিয়ালৰ তিনিগৰাকীৰ মৃতদেহ উদ্ধাৰ

দুলীয়াজানৰ কমলাবাৰী অঞ্চলত চন্দ্রকান্ত ভূঞা, তেওঁৰ পত্নী এলিজা ভূঞা আৰু কন্যা নীহাৰিকা ভূঞাৰ মৃতদেহ উদ্ধাৰ হৈছে। আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে।

প্রকাশ: ১৬ নৱেম্বৰ ২০২৬, নিশা ৯:২০



(NewzNow)

দুলীয়াজান: দুলীয়াজানৰ কমলাবাৰী অঞ্চলত একেটা পৰিয়ালৰ তিনিগৰাকী সদস্যৰ মৃতদেহ উদ্ধাৰ হোৱাত তীব্র চাঞ্চল্যৰ সৃষ্টি হৈছে।

নিহত তিনিগৰাকী হৈছে চন্দ্রকান্ত ভূঞা, তেওঁৰ পত্নী এলিজা ভূঞা আৰু কন্যা নীহাৰিকা ভূঞা।

ঘটনাৰ খবৰ লাভ কৰাৰ পিছতে আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰে। আৰক্ষীয়ে ঘটনাস্থলীত প্রয়োজনীয় অনুসন্ধান অব্যাহত ৰাখিছে।

তিনিওগৰাকী লোকৰ মৃত্যুৰ প্রকৃত কাৰণ আৰু ঘটনাৰ আঁৰৰ ৰহস্য এতিয়ালৈকে পোহৰলৈ অহা নাই।

একেটা পৰিয়ালৰ তিনিগৰাকী সদস্যৰ মৃতদেহ উদ্ধাৰৰ ঘটনাই সমগ্র অঞ্চলটোত শোক আৰু আতংকৰ সৃষ্টি কৰিছে। আৰক্ষীৰ তদন্তৰ পিছতহে ঘটনাৰ প্রকৃত কাৰণ আৰু মৃত্যুৰ সৈতে জড়িত আন তথ্য স্পষ্ট হ'ব।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক: newznow.in/news/3690/duliajan-family-three-bodies-found

© 2026 NewzNow